সেউজ মানৱ

ৰাজীৱ প্ৰসাদ শইকীয়া

মোৰ শৰীৰৰ মাজেদি যেন বিজুলী প্ৰবাহ বৈ গ'ল। শব্দৰ উৎসৰ ফালে চকু ঘূৰালোঁ। দুটা সেউজীয়া মানুহ, হাতত একোটাকৈ পিষ্টল-মোৰ ফালে টোঁৱাই আছে। চকুকেইটা যেন একো একোটা আগ্নিপিন্ড। চুলিবোৰ নিমজ আৰু ক'লা।

বিস্ময় আৰু ভয়ত মই ত্ৰস্ত হ'লোঁ, মোৰ হাত দুখন অজ্ঞাতেই ওপৰলৈ উঠি আহিল। সিহঁতে মোৰ পিষ্টলটো জব্দ কৰিলে আৰু চকুকেইটা ক'লা কাপোৰেৰে ঢাকি আদেশ কৰিলে-আমাৰ লগত আহক। এটা মোৰ আগত ,এটা মোৰ পাছত। মই কোনো অভিযোগ নকৰিলোঁ।

এই সকলো আক্ৰমণ আৰু ফলাফললৈ ভয় নকৰিয়েই মই সেই নিজান হাবিলৈ গৈছিলোঁ। ওচৰত জনবসতি নাই। প্ৰায় দুমাইলমান আঁতৰত গাওঁ এখন আছে। তাতো জনবসতি সেৰেঙা। এই হাবিলৈ কোনো মানুহ নাহে। সাধাৰণতে গাঁৱলীয়া এই পিছপৰা শ্ৰেণীৰ মানুহখিনিয়ে এতিয়াও অদৃশ্য আত্মাৰ ভয়াবহতা আগৰ দৰেই বিশ্বাস কৰি আছে। তেওঁলোকে কয়-এই হাবিত ভূত আছে। সেই হাবিলৈ যোৱা কেইবাটাও মানুহ হেনো বোবা হৈ আছে। তালৈ গ'লে মানুহ এনো কেইদিনমান নোহোৱা হয় আৰু যেতিয়া ঘূৰি আহে-মানুহটো সম্পূৰ্ণ বোবা হয়। সেই হাবিৰ বিষয়ে তেওঁলোকে আৰু একো নকয়। এই মানুহবিলাকৰ কথাত কোনেও গুৰুত্ব নিদিয়ে।

গতিকে মই তাৰ ৰহস্য উদ্ঘাটন কৰিবলৈ হাবি পালোঁগৈ। চিকাৰ উপলক্ষ্যহে মাত্ৰ। কিন্তু মই তাত যি দেখিলোঁ সেয়া সবাতোকৈ বিস্ময়কৰ।

মোক সেই সেউজীয়া মনুহ দুটাই গাঁতৰ ভিতৰলৈ লৈ গ 'ল।

-এইয়া ফাদাৰ। সিহঁতৰ এটাই ক'লে।

মোৰ চকুৰ কাপোৰ খুলি দিলে। বিজুলী বাতিৰ পোহৰত চকু জিলমিল কৰিল। হাতেৰে চকু মোহাৰি দেখিলোঁ মোৰ সন্মুখত বৈ আছে প্ৰখ্যাত জীৱবিজ্ঞানী ডঃ বিশ্বজিৎ বৰুৱা।

- ডঃ বৰুৱা আপুনি! মই মোৰ চকুকে বিশ্বাস কৰিব নোৱাৰিলোঁ।

- হয়। কিন্তু আপুনি?

-চৰাই চিকাৰ কৰিবলৈ আহি আপোনাৰ হাতত........

-তাৰ বাবে মই দুঃখিত ৰাজখোৱা। বহক বহক। চকি এখন টানি আনি ক’লে ডঃ বৰুৱাই।

-ধন্যবাদ। চকিখনত বহি মই পূৰ্ণ দৃষ্টিৰে ডঃ বৰুৱাক নিৰীক্ষণ কৰিলোঁ।

-আপুনি চিকাৰ কৰিবলৈ আহিছিল?ডঃ বৰুৱাই সুধিলেল

-চিকাৰ কৰিবলৈকে, মানে এই হাবিখনৰ বিষয়ে কিছুমান অলৌকিক কথাৰ বশবৰ্তী হৈ আহিব লগাত পৰিলোঁ।

ডঃ বৰুৱাই একো নামাতি কলিং বেলটো টিপিলে। লগে লগে দুৱাৰ মুখত এটা সেউজীয়া মানুহৰ আবিৰ্ভাৱ ঘটিল। মই আকৌ এবাৰ চক্ খালোঁ।

-দুকাপ কফি। ডঃ বৰুৱাই মানুহটোক ক’লে।

মানুহটো আকৌ আদৃশ্য হ ’ল।

-ভয় খাইছে? ডঃ বৰুৱাই বোধহয় মোক লক্ষ্য কৰি আছিল।

-নহয়,বিস্মিত হৈছোঁ। মই কলোঁ ।

ডঃ বৰুৱাই হাঁহিলে। মই তেখেতৰ হাঁহিত সংকুচিত হৈ অলপ ভলকৈ বহিলোঁ

-বিস্মিত হ’ব লগা কি আছে? এইবোৰো মানুহেই মাত্ৰ ৰঙটোহে বেলেগ।

-অলপ খুলি কওকচোঁন ডঃ বৰুৱা। এই মানুহবিলাকৰ স্ৰষ্টা হয়তো আপুনিয়েই।কি অদ্ভুত মানুহ! যেন ডাল-পাত নোহোৱা এজোপা ছফুট ওখ সেউজীয়া গছ! মই হাৰ্টফেইলেই কৰিলোঁহেঁতেন।

সেউজীয়া মানুহটোৱে কফি দুকাপ দি গ ’লহি।

_আচলতে মানুহবোৰে বেছিকৈ ভয় খাইছে। সিহঁতে ইয়ালৈ অহাটো নিৰাপদ নহয় বুলি জানে। বচ্ নাহিলেই হ’ল। ডঃ বৰুৱাই কফিত সোহা মাৰিলে। ময়ো কাপ তুলি ললোঁ।

ডঃ বৰুৱা মোৰ কলেজীয়া বন্ধু। দুয়োজন আছিলোঁ বিজ্ঞান শাখাত। তেখেতে জীৱবিজ্ঞানত অনাৰ্ছলৈ বিজ্ঞানত স্নাতক তাৰপাছত স্নাতকোত্তৰ,ডক্টৰেট তাৰপাছত বিদেশৰ ডিগ্ৰি লাভ কৰে।

-বাৰু ৰাজখোৱা, আমাৰ সেই কলেজৰ দিনৰ পৰা এতিয়ালৈকে দেশৰ পৰিস্থিতি কেনেকুৱা হৈ আহিছে মন কৰিছেনে? ডঃ বৰুৱাই কফিৰ কাপটো থৈ কোঠাটোত পায়চাৰি কৰিবলৈ

ধৰিলে। -এই সেউজীয়া মানুহবোৰ যে দেখিছে এইবোৰ আমাৰেই সৃষ্টি। ইহঁতে প্ৰায় নোখোৱাকৈয়ে জীয়াই আছে। ইহঁতে গোটেইবোৰে যিমান খায় ভিটামিন টেবলেট এটা বনাবলৈও সিমান খৰচ নহয়। মই আচৰিত হ'লোঁ, নোখোৱাকৈ কেনেকৈ থাকিব পাৰে?

-নোখোৱাকৈ কেনেকৈ থাকিব পাৰে বৰুৱা?

আহক, মোৰ লগত আহক।

মই তেখেতক অনুসৰণ কৰিলোঁ। ভূ-গৰ্ভত এটা ডাঙৰ গৱেষণাগাৰ। বস্তুবোৰ সজাই থোৱা আছে। কেইজনমান মানুহ টেষ্ট-টিউবৰ কাষত নিমগ্ন। এটা ক'ৰিড'ৰ। দুয়োকাষে ডাঙৰ ডাঙৰ কাঁচৰ পাত্ৰত বিবিধ জীৱ। মই একো নকৈ কেৱল সকলোবোৰ বস্তু বিস্ময় ভৰা চকুৰে চাইছিলোঁ আৰু ডঃ বৰুৱাক আনুসৰণ কৰিছিলোঁ।

তাৰপাছত দেখিলোঁ ডাঙৰ ডাঙৰ টেষ্ট-টিউবত মানব শিশু। সৰু সৰু। তাৰ কাষে-কাঢ়ে অসংখ্য যন্ত্ৰ-পাতি। আঁতৰৰ পৰা দেখিলোঁ কেইজনীমান পৰিচাৰিকাৰ লগত কেইটিমান মানৱ শিশু। সেউজীয়া শিশুবোৰ দেখি কিবা-কিবা লাগিল। মোৰ কণ্ঠ ৰূদ্ধ হ'ল। মই যেন সপোন দেখিছোঁ। সপোনতহে যেন কেইটামান মানৱ-শিশুৱে ঠেং-ভৰি আচাৰি বিচনাত বাগৰি আছে। পৰিচাৰিকা কেইজনী যেন স্বৰ্গৰ অপেস্বৰী। দুজনী পৰিচাৰিকা সেউজীয়া, চকু নীলা।

-ইহঁত সেউজীয়া কিয়?

-আহক। মোৰ কথাৰ উত্তৰ নিদি বৰুৱাই ক'লে।

-এইবোৰ ভ্ৰূণৰ ক্ৰমবিকাশ হৈ আছে। তেখেতে টেষ্ট-টিউববোৰলৈ আঙুলিয়াই ক'লে।

আমি আগ বাঢ়িলোঁ, দেখিলোঁ ডাঙৰ কোঠাত কেইটামান মানুহ। মূৰত আৰু ডিঙিত কিবা এটা যন্ত্ৰ লগোৱা আছে। মই একো নুসুধিলোঁ জানিলোঁ, সিহঁতক বোবা আৰু স্মৃতিশক্তিহীন কৰা হৈছে।

আমি আকৌ আহি আগৰ কোঠাত এৰি থৈ যোৱা চকীত বহিলোঁ।

মই চিগাৰেট এটা উলিয়ালোঁ।

-আপুনি সুধিছিল মানৱ শিশু সেউজীয়া হোৱাৰ কাৰণ। আমি বিশেষ কৌশলৰ দ্বাৰা মানুহৰ ছালৰ দ্বিতীয় তৰপ ক্ল'ৰ'ফিলযুক্ত কৰিছোঁ।ক্ল'ৰ'ফিলৰ ৰং সেউজীয়া আৰু সেইবাবে ইহঁতক সেউজীয়া দেখি। গছৰ দৰেই এই ছালৰদ্বাৰা সূৰ্য্যৰ পোহৰ আৰু পানীৰ সহায়ত ইহঁতে কেলৰিযুক্ত খাদ্য উৎপন্ন কৰে। বাহিৰৰ পৰা মাত্ৰ অলপ খাদ্যহে যোগান ধৰিব লাগে। গতিকে ইহঁতে প্ৰায় নোখোৱাকৈয়ে জীয়াই থাকে।

-আপোনালোকে কিমান এনে মানুহৰ জন্ম দিছে?

-প্ৰায় ৩০০মান। তাৰে কিছুমান ডঙৰ হৈছে, বাকীবোৰ সৰু।

-আপোনালোকে এক মহৎ উদ্দেশ্য পূৰণ কৰিব খুজিছে কিন্তু সাকলো মানুহকে সেউজীয়া কৰিব পাৰিব জানোঁ?

-নোৱাৰোঁ কিন্তু নৱজন্ম দিব পৰা হ'ব।

-আপোনালোকে লোকদৃষ্টি আৰু চৰকাৰৰ আঁৰত এই গৱেষণা চলাইছে যে ...?

-জানেই, চৰকাৰে আমাক স্বীকৃতি নিদিয়ে আৰু আন দেশে আমাৰ ফৰ্মূলা কাঢ়ি নিব।

আৰু এটা চিগাৰেট জ্বলালোঁ।

-মোকো এতিয়া বোবা কৰিব নেকি?

ডঃ বৰুৱাই হাঁহিলে।

-আপোনাৰ ওপৰত বিশ্বাস আছে।

তেখেতে মোৰ বন্দুকটো অনাই দিলে।

দুয়োজন আহি লিফটৰ ওচৰত থিয় হ'লোঁ। মূৰৰ ওপৰত হেলিকপ্টাৰৰ শব্দ....

অটোমেটিক লিফটত থিয় হ'লোঁ। নিশব্দভাবে লিফট ওপৰলৈ উঠিল। লিফট য'ত ৰ'ল-দেখা পালোঁ-দুটা সেউজীয়া প্ৰহৰী। ক'লা কাপোৰেৰে চকু বান্ধিবলৈ এজন আগবাঢ়ি আহিল..........

সমাপ্ত

Note: the scientific fiction was published in August, 1980 edition of popular Assamese megazine TRISUL. It is published in electronic media by blogasom.blogspot.com & ©is fully owned by admin.of the blog.

blogasom.blogspot.com

blogasom.blogspot.com